ব্রহ্মপুত্র মাহাত্ম্যম্

স্নানতর্পণাদি পদ্ধতিসমেতম্

শ্রীকৈলাস চন্দ্র বরুবা ।

ব্রহ্মপুত্র মাহাত্ম্যম্

স্নানতর্পণাদি পদ্ধতিসমেতম্

শ্রীকৈলাস চন্দ্র বৰুৱা ।

সংগ্রাহকোঽনুবাদকশ্চ

মেলেং উচ্চ ইংৰাজী বিদ্যালয়স্থ

প্রাক্তন সংস্কৃত শিক্ষকঃ

এবমন্যতমঃ প্রতিষ্ঠাতাচ

অধুনা যোৰহাটস্থ

অসম ৰাজ্যিক

পথ পৰিহবণ

নিগমস্থ

কৰ্ম্মচাৰী ।

মঙ্গলাচরণম্

প্রণম্যাদৌ পরংব্রহ্ম সৃষ্টিস্থিত্যন্তকারণম্ ।
পশ্চাদহং প্রণমামি বাগ্দেবীঞ্চ সরস্বতীম্ ॥

—উৎসর্গঃ—

মহাত্ম্যম্ তীর্থরাজস্য
তথা সংগৃহীতং ময়া,
কমলেশ্বরী মে মাতা,
যথাজ্ঞামকরোৎ মুদা ।
তস্যাস্তু স্মৃতিমুদ্দিশ্য
শাস্ত্রঞ্চেদং সমর্পিতম্ ॥

ইতি—
কনিষ্ঠ পুত্র
—কৈলাস—

—কৃতজ্ঞতা প্রকাশঃ—

বর্ণশুদ্ধ্যাদি যদ্দোষং কৃপয়া যো দূরীকৃতম্
শ্রীনবনারায়ণায় তস্মৈ পূজনীয়ায় চ।
কৃতজ্ঞতাং জ্ঞাপয়ামি শ্রদ্ধয়া বিনয়েনচ॥
প্রকাশিতুং গ্রন্থমিদমুৎসাহং যো প্রাদর্শয়ৎ
সমেবন্ধুঃ হাজরিকা তীর্থোনাম্নেতি বিশ্রুতঃ,
কৃতজ্ঞোঽহং তৎ সমীপে দীর্ঘায়ুঃ প্রার্থতে ময়া॥

সংগ্ৰাহকস্য নিবেদনম্

অপযাতি নিত্যমায়ুঃ জীৱণং খলু বিফলম্ ।
সাধায়িতুং ন শাক্নোমি তব কাৰ্য্যং জনাৰ্দ্দণ ॥
বিদ্যাহীনং জ্ঞানহীনং ধনহীনঞ্চ জীবণম্ ।
লব্ধা কেন প্ৰকাৰেণ কৰোমি তব কীৰ্ত্তনম্ ॥
দয়ালুভিঃ সুধিভিশ্চেৎ পুস্তকং মে সমাদৃতম্ ।
আজীবণং কৃতজ্ঞোঽহং শ্ৰমঞ্চ সফলং ভবেৎ ॥
আখ্যানং তীৰ্থৰাজস্য কলি কল্মষ নাশকম্ ।
ভাষায়ামসমীয়ায়াং কেনাপি ন প্ৰকাশিতম্ ॥
সংগৃহীতং যথাশক্তি পুৰানানি বিলোক্য চ ।
প্ৰকাশিতং কৈলাসেন লোকানাং হিতকাম্যয়া ॥

মেলেং আম্ৰকানন্ ইতি—
পোঃ চাওখাট নিবেদকঃ
যোৰহাট অসম —সংগ্ৰাহকঃ—

অশোকাষ্টমী ৮ চ'ত
২২।৩।৭২ ১৮৯৩ শক



শ্ৰীযুতা কমলেশ্বৰী বৰুৱা

ওঁ শ্ৰীশ্ৰীগনেশায় নমঃ

নিত্যক্রিয়া সমাপনান্তে মৌনাৱলম্বন কৰি ব্ৰহ্মপুত্ৰ তীৰ্থলৈ যাত্ৰা কৰা কৰ্ত্তব্য। ব্ৰহ্মপুত্ৰ দৰ্শন হোৱাৰ লগে লগে ভৱঘোৰ দুঃখ হৰণ পূৰ্ব্বক পুনৰ্জ্জন্মনিবাৰণ কামনা কৰি তলত দিয়া মন্ত্ৰ পাঠ কৰিব। যথাঃ—

(ক) ওঁ ত্বং ব্ৰহ্মপুত্ৰ ভুবন তাৰক-লৌহিত্য,
গম্ভীৰনীৰ পৰিপূৰিত সৰ্ব্বদেহ ।
তদ্দৰ্শনাদ্ভৱতু মে ভৱঘোৰদুঃখং,
সংযোগতঃ কলিযুগে ভগবন্নমস্তে ॥

ইয়াৰ পিছত হে ব্ৰহ্মপুত্ৰ ! তুমি মোৰ তিনি জন্মৰ পাপ হৰণ কৰা বুলি ভাবি তলত দিয়া মন্ত্ৰ পাঠ কৰি ব্ৰহ্মপুত্ৰক প্ৰনাম কৰিব। যথাঃ—

(খ) ওঁ নমস্তে ব্ৰহ্মপুত্ৰায় নমঃ শান্তনুসূনবে ।
ত্ৰিজন্মজং যৎ পাপং তৎ সৰ্ব্ব হৰ মে প্ৰভো ॥

ইয়াৰ পিছত 'তীৰ্থৰাজ' বুলি উচ্চাৰণ কৰি ব্ৰহ্মহত্যাৰ সমান পাপক্ষয় হওক বুলি ভাবি মূৰত তিনি অঞ্জলি পানী লব তাৰ পিছত সাধাৰণ তীৰ্থস্নানাদি বিধিমতে তীৰ্থৰ সকলো

কৰ্ম্ম সম্পাদন কৰিব। তাৰ ভিতৰত বিশেষ এই যে সংকল্প কৰোতে "সপ্তপুৰুষোদ্ধাৰ পূৰ্ব্বক মোক্ষলাভ কামনয়া" বুলি সংকল্প কৰিব আৰু আৱাহন কৰোতে তলত দিয়া মন্ত্রে কৰিব। যথাঃ—

(গ) ওঁ ব্রহ্মপুত্র নদশ্রেষ্ঠ জামদগ্ন্যাবতাৰিত।
পৰশুনা দত্তমাৰ্গেণ আগচ্ছ বৰদো ভব॥

ইয়াৰ পিছত মৃত্তিকা স্নানৰ অন্তত বুৰ মৰাৰ আগতে হাতজোৰ কৰি তলত দিয়া মন্ত্র পাঠ কৰিব।

(ঘ) ওঁ ব্রহ্মপুত্র মহাভাগ শান্তনোঃ কুলনন্দন।
অমোঘাগৰ্ভসম্ভূত পাপং লৌহিত্য মে হৰ॥

তাৰপিছত স্নান আৰু তৰ্পনাদি কৰ্ম্ম সমাপনান্তে ভব-বন্ধন বিমোচন কামনা কৰি তলত লিখা মন্ত্রে অৰ্ঘ্য প্ৰদান কৰিব। যথঃা—

(ঙ) ওঁ কিৰীটী নীলবাসাশ্চ ৰত্নমালাবিভূষিতঃ।
গৃহাণাৰ্ঘ্যং ময়া দত্তং ভববন্ধবিমুক্তয়ে॥

গোটেই চ'তমাহটো স্নান কৰিলে "কৈবল্যলাভ কামনা" চ'তমাহৰ শুক্লাষ্টমীত "পৃথিব্যধিকৰণক সৰ্ব্বতীৰ্থ স্নান জন্য-ফল সমফললাভপূৰ্ব্বক ব্রহ্মপদ লাভ কামনা" আৰু বুধবাৰ পুৰ্ণৰ্ব্বসুনক্ষত্ৰান্বিত চ'তমাহৰ শুক্লাষ্টমীত "ৰাজপেয়যজ্ঞ

জন্মফল সমফল লাভ কামনা” কৰিব। ইয়াৰ পিছত দানাদি কাৰ্য্য শেষ কৰি তলত দিয়া ধ্যান কৰিব। যথাঃ—

(চ) ওঁ লৌহিত্যং ৰক্তগৌৰাঙ্গং নীলবস্ত্ৰবিভূষিতম্।
ৰক্তমালাসমাযুক্তং চতুৰ্ব্বাহুসমন্বিতম্ ॥
পুস্তকং শ্বেতপদ্মঞ্চ বিধৃতং দক্ষিণে কৰে।
বামে শক্তিবৰঞ্চৈব শিশুমাৰশিৰঃ স্থিতম্ ॥

ধ্যানান্তে “হ্ৰীং স্বাহা” নাইবা “ওঁ ব্ৰহ্মপুত্ৰায় নমঃ” মন্ত্ৰে পূজা কৰিব। তাৰ পিছত সৰ্ব্বপাপবিমোচন পূৰ্ব্বক ব্ৰহ্মলোকমহিতত্বকামনায় ব্ৰহ্মপুত্ৰৰ ওচৰত তলত লিখা স্তৱ পাঠ কৰিব। যথাঃ—

(ছ) ওঁ নমোবিধ্যঙ্গভূতায় ব্ৰহ্মপুত্ৰায় তে নমঃ।
নমঃ সাগৰপুত্ৰায় গঙ্গাপুত্ৰায় বৈ নমঃ ॥
নমস্তে পাপসংহন্ত্ৰে ৰুদ্ৰৰূপায় বৈ নমঃ।
নমঃ শান্তনুপুত্ৰায় অমোঘানন্দনায় চ ॥
নমস্তে তীৰ্থৰাজায় সৰ্ব্বতীৰ্থাত্মনে নমঃ।
সদা জনাঘনাশায় নদীনাং পতয়ে নমঃ ॥
সদা চঞ্চলৰূপায় ঘোৰাবৰ্ত্তায় বৈ নমঃ।
নমঃ সাগৰপুত্ৰায় ব্ৰহ্মপুত্ৰায় তে নমঃ ॥

অশোকাষ্টমীৰ দিনা তলত লিখা মন্ত্ৰে ৮টা অশোক

ফুলৰ কলি ব্ৰহ্মপুত্ৰৰ পানীৰে সৈতে খাব। ইয়াৰ বাহিৰে বাকীসকালোবোৰ তীৰ্থ কৃত্য অন্যান্য তীৰ্থ পদ্ধতিৰ সৈতে একে।

অশোক কলি খোৱা মন্ত্ৰ যথাঃ—

(জ) ওঁ ত্বামশোক হৰাভীষ্ট মধুমাসসমুদ্ভব।
পিবামি শোকসন্তপ্তো মামশোকং সদা কুৰু॥

ইয়াৰ পিছত স্নানৰ সম্পূৰ্ণফল পাবলৈ কামনা কৰি ভক্তিসহকাৰে একচিত্তে ব্ৰহ্মপুত্ৰমাহাত্ম্য পাঠ বা শ্ৰবণ কৰিব।

ব্ৰহ্মপুৰাণে—

নাৰদোবাচ।

১। মাহাত্ম্যঞ্চৈব সৰ্ব্বেষাং শ্ৰুতং বিস্তৰতো ময়া।
গঙ্গাদিসৰিতাং সম্যক্ তীৰ্থৰাজস্য ন শ্ৰুতম্॥

ব্ৰহ্মাৰ ওচৰত নাৰদে সুধিলে, হে ভগবান। আপোনাৰ পৰা গঙ্গাদি তীৰ্থৰ মাহাত্ম্য বিশেষ ৰকমে (ভালকৈ) শুনিছো কিন্তু তীৰ্থৰাজ ব্ৰহ্মপুত্ৰৰ বিষয়ে একো শুনা নাই।

ব্ৰহ্মোবাচ

২। তীৰ্থৰাজস্য মাহাত্ম্যং শৃণুবৈকমনাঃ সুত ।
কথয়ামি মহাভাগ লোহিত্যস্য চ কীৰ্ত্তনম্ ॥

ব্ৰহ্মাই কলে, হে পুত্ৰ মহাভাগ ! তুমি একচিত্ত মনে শুনি থোৱা মই তীৰ্থৰাজ ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য কথা তোমাক কৈ যাওঁ ।

৩। কীৰ্ত্তনাৎ যস্য সৰ্ব্বেষাং পাপৰাশিঃ পলায়তে ।
দৰ্শনাৎ যস্য লোকানাং পুনৰ্জ্জন্ম ন বিদ্যতে ॥

যাৰ কথা শুনিলে (ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য কীৰ্ত্তন কৰিলে) শৰীৰৰ সকলো পাপ দূৰ হয় আৰু যাক দেখা পালে (দৰ্শন কৰিলে) পৃথিবীত মানুহৰ পুনৰ্জ্জন্ম নহয় অৰ্থাৎ মুক্তি লাভ হয় ।

৪। স্পৰ্শনান্মুক্তিমাপ্নোতি স্নানান্মোক্ষ প্ৰজায়তে ।
দূৰতঃ পিবতো বাৰি যশোলক্ষ্মীঃ প্ৰজায়তে ॥

ব্ৰহ্মপুত্ৰক স্পৰ্শ কৰিলে মুক্তি লাভ হয় আৰু ইয়াত স্নান কৰিলে মোক্ষপ্ৰাপ্তি হয়, তাৰোপৰি নদীলৈ আহিব নোৱাৰি (ঘৰত থাকিও) যদি (সভক্তিৰে) পানী খায় তেতিয়াও যশ আৰু শ্ৰীলাভ কৰে ।

৫। সপ্তপৰাণ্ সপ্তপূৰ্ব্বান্ পূৰুষান্নুদ্ধৰেন্নৰঃ ।
লৌহিত্যস্য জলে স্নাত্বা সত্যং পুত্ৰ বদামাহম্ ॥

হে পুত্ৰ! মই সচাঁকৈ কৈছো, ব্ৰহ্মপুত্ৰত স্নান কৰিলে সাত পূৰ্ব্বপুৰুষ সাত পৰ পুৰুষ উদ্ধাৰ হয়।

৬। উদ্যোঽভিদ্যস্তথা ত্বাষ্টঃ শোনো ঘৰ্ঘৰ এব চ ।
লৌহিত্যশ্চৈত্ৰ কশ্চৈব সপ্তৈতে মৎস্থতা মুনে ॥

হে মুনে! উদ্য, অভিদ্য আষ্ট, শোণ ঘৰ্ঘৰ, লৌহিত্য আৰু চৈত্ৰ এই সাতটী আমাৰ পুত্ৰ।

৭। তেষাং মধ্যে তু লৌহিত্যঃ সৰ্ব্বেষাং পাবনোত্তমঃ।

এই সকলোবোৰৰ ভিতৰত ব্ৰহ্মপুত্ৰই সৰ্ব্বোপেক্ষা পবিত্ৰ বুলি জানিবা ।

৮। কামৰূপাদ্বিনিঃসৃত্য যাবদ্দক্ষিণসাগৰম্ ।
স লৌহিত্য ইতি খ্যাতঃ পদোনো জাহ্নবীজলাৎ ॥

এই ব্ৰহ্মপুত্ৰ অসম দেশৰ মাজেদি বৈ গৈ দক্ষিণে সাগৰত মিলিছেগৈ । ইয়াৰ পানী গঙ্গাৰ পানীতকৈ এক পাদ মাত্ৰ কম ।

৯। গঙ্গা তু পশ্চিমে ভাগে সদা তিষ্ঠতি মুক্তিদা।
আত্রেয়ী মধ্যভাগে চ তথা জাম্ববতী নদী ॥
সৰস্বত্যাদয়ো নদ্যো নদাঃ শোনাদয়স্তথা ।
বহন্তি পূৰ্ব্বে তে সৰ্ব্বে পাপানাং ক্ষয়হেতবে ॥

এই ব্ৰহ্মপুত্ৰৰ পশ্চিমফালে আছে মুক্তিদায়িনী গঙ্গা মধ্যভাগত আত্ৰেয়ী আৰু জাম্ববতী, পূব ফালে আছে সৰস্বত্যাদি নদীসমূহ, শোনাদি নদ সকল পাপক্ষয়াৰ্থে (মানুহৰ) নিত্য প্ৰবাহিত হৈ-আছে ।

১০। লৌহিত্যস্পৰ্শকো বায়ুৰ্গাত্ৰং সংস্পৰ্শতে যদি ।
স্বৰ্গপ্ৰাপ্তিস্তদাপি স্যাৎ স্নানপানেন কিং পুনঃ ॥

ব্ৰহ্মপুত্ৰত স্নান কৰা বা পানী খোৱা দূৰে থাওক যদি কেনেবাকৈ ব্ৰহ্মপুত্ৰ জলে স্পৰ্শকৰা বায়ুও আহি কোনোজনৰ শৰীৰত লাগেহি (স্পৰ্শকৰে) তেতিয়াও তেওঁৰ স্বৰ্গলাভ হয় ।

১১। লৌহিত্যে মৌষলং স্নাত্বাপ্যশ্বমেধফলং লভেৎ ।
সকৃত স্নাত্বা নৰো যাতি ব্ৰহ্মলোকমনাময়ম্ ।
মুক্তিং ব্ৰজন্তি মনুজাঃ সদৈব স্নানতৎপৰাঃ ॥

ব্ৰহ্মপুত্ৰত মৌষলস্নান কৰিলে অশ্বমেধ যজ্ঞৰ ফল

লাভ হয় আৰু বিধি অনুসৰি যি সকলে এবাৰ মাথোন স্নান কৰে তেওঁলোকৰো অনাময় ব্ৰহ্মলোক প্ৰাপ্তি হয়। যি বিলাক মানুহে প্ৰতিদিনে ইয়াত স্নান কৰে তেওঁ-লোকৰ মুক্তি লাভ হয়।

১২। চৈত্ৰে মাসি সিতাষ্টম্যাং যো নৰো বিজিতেন্দ্ৰিয়ঃ।
স্নায়াৎ লৌহিত্যতোয়েষু স যাতি ব্ৰহ্মণঃ পদম্ ॥

চ'তমাহৰ শুক্লাষ্টমীৰ দিনা যি মানুহে জিতেন্দ্ৰিয় হৈ ব্ৰহ্মপুত্ৰত স্নান কৰে তেওঁৰ নিশ্চয় ব্ৰহ্মপদ প্ৰাপ্তি হয়।

১৩। পুনৰ্ব্বসৌ বৃষে লগ্নে চৈত্ৰে মাসি সিতাষ্টমীম্।
লৌহিত্যস্য জলে স্নাত্বা সৰ্ব্বপাপৈঃ প্ৰমুচ্যতে ॥

চ'তমাহৰ শুক্লাষ্টমীৰ দিনা যেতিয়া (যি বছৰত) পুনৰ্বসু নক্ষত্ৰ আৰু বৃষলগ্ন মিলে সেই তিথিত ব্ৰহ্মপুত্ৰত স্নান কৰিলে সকলো পাপৰ পৰা মুক্ত হৈ যায়।

১৪। পুনৰ্ব্বসুবুধোপেতাং চৈত্ৰে মাসি সিতাষ্টমীম্।
স্ৰোতঃসু বিধিবৎ স্নাত্বা বাজপেয় ফলং লভেৎ ॥

চ'তমাহৰ শুক্লাষ্টমীৰ দিনা যদি পুনৰ্ব্বসুনক্ষত্ৰ আৰু বুধবাৰ হয় সেইদিনা ব্ৰহ্মপুত্ৰত স্নান কৰিলে বাজপেয়

যজ্ঞৰ ফল লাভ হয় ।

১৫। মীনে মধৌ শুক্লপক্ষে হ্যশোকাখ্যং তথাষ্টমীম্ ।
পিবেদশোককলিকাঃ স্নায়াল্লৌহিত্যবাৰিণি ॥

মীনৰাশিযুক্ত, চ'তমাহৰ শুক্লাষ্টমী তিথিত অশোক কলি পান কৰি ব্ৰহ্মপুত্ৰত স্নান কৰিব ।

১৬। পৃথিব্যাং যানি তীৰ্থানি সৰিতঃ সাগৰাদয়ঃ ।
সৰ্ব্বে লৌহিত্যমায়ান্তি চৈত্রে মাসি সিতাষ্টমীম্ ॥

পৃথিবীৰ যত তীৰ্থ নদ নদী আৰু সাগৰাদি আছে চ'তমাহৰ শুক্লাষ্টমীত সেই সকলোবোৰ ব্ৰহ্মপুত্ৰলৈ আগমন কৰে ।

১৭। চৈত্রন্তু সকলং মাসং যো নৰো বিজিতেন্দ্ৰিয়ঃ ।
স্নায়াল্লৌহিত্যতোয়েষু স কৈবল্যমবাপ্নুয়াৎ ॥

যি মানুহে জিতেন্দ্ৰিয়হৈ সম্পুৰ্ণ চ'তমাহটো ব্ৰহ্মপুত্ৰত স্নান কৰে তেওঁ কৈবল্য লাভ কৰে ।

১৮। স্নানং দানং তথা জপ্যং যজ্ঞঞ্চ সুৰপূজনম্ ।
লৌহিত্যে হি কৃতং সৰ্ব্বং কোটি কোটিগুণং ভবেৎ ।

ব্ৰহ্মপুত্ৰত কৰা স্নান, দান, জপ যজ্ঞ আৰু যিকোনো দেৱ-দেৱতাৰ পূজা সেইসকলোবোৰ কোটি কোটি গুণ ফলপ্ৰদ হয়।

১৯। শিৱলিঙ্গানি কোটিনিগঙ্গায়ামপি পূজয়েৎ।
ততোঽধিকফলং পুত্ৰ্ কামপুত্ৰে লভেন্নৰঃ॥

হে পুত্ৰ ! গঙ্গাত কোটি কোটি শিৱলিঙ্গ পূজা কৰিলে যি ফল পোৱা যায় ব্ৰহ্মপুত্ৰত শিৱপূজা কৰিলে তাতোকৈ বেছি ফল পোৱা যায়।

২০। কাশীবাসেন যৎ পুন্যং লভতে বিজিতেন্দ্ৰিয়ঃ।
তদেব সমবাপ্নোতি ব্ৰহ্মপুত্ৰে বসেত্তু য়ঃ॥

জিতেন্দ্ৰিয়হৈ কাশীবাস কৰিলে মানুহৰ যি ফল লাভ হয় ব্ৰহ্মপুত্ৰত বাস কৰিলেও তেনেকুৱা ফলকে লাভ হয়।

২১। পৃথিব্যাং যানি তীৰ্থানি সাগৰাশ্চোত্তৰাদয়ঃ।
প্ৰয়াগঃ পুস্কৰশ্চৈব গঙ্গাসাগৰসঙ্গমঃ।
এতেষাং ফলমাপ্নোতি ব্ৰহ্মপুত্ৰে চ বাসকে॥

প্ৰয়াগ, পুস্কৰ, গঙ্গা, সাগৰসঙ্গম আৰু পৃথিবীত থকা উত্তৰসাগৰাদি অন্যান্য যি সকল তীৰ্থ আছে ব্ৰহ্মপুত্ৰত বাস

কৰিলে সেইসকলোবোৰ তীৰ্থত বাসকৰাৰ সমান ফল লাভ হয়।

২২।　যা গতির্যোগযুক্তানাং মুনীনামূৰ্দ্ধ্বৰেত-সাম্ ।
　　সা গতিস্ত্যজতঃ প্রাণান্ ব্রহ্মপুত্রেষু সপ্তসু ॥

উৰ্দ্ধ্বৰেতা যোগযুক্ত মুনিসকলৰ যি গতি হয়, ব্ৰহ্মপুত্ৰাদি পূৰ্ব্বোক্ত সপ্ততীৰ্থত প্ৰাণত্যাগ কৰিব পাৰিলে সেই ফল লাভ হয়।

২৩।　ভাদ্রকৃষ্ণচতুর্দ্দশ্যাং যাবদাপ্লবতে জলম্ ।
　　তাবদ্‌গৰ্ভং বিজানীয়াত্তদূৰ্দ্ধ্বং তীৰমুচ্যতে ॥
　　তীৰাদ্‌গব্যূতিমাত্ৰন্তু পৰিতঃ ক্ষেত্ৰমীৰিতম্ ।
　　সাৰ্দ্ধত্ৰিকোটিত্ৰিদশাস্তন্মধ্যে নিবসন্তি হি ।
　　তত্ৰস্থাস্ত্ৰিদিবং যান্তি যে মৃতাস্তেঽপুনৰ্ভবাঃ ॥

ভাদমাহৰ কৃষ্ণপক্ষৰ চতুৰ্দ্দশী তিথিত ব্ৰহ্মপুত্ৰৰ পানীয়ে যিমান দূৰলৈকে প্লাবিত হয় সেইখিনিলৈকে ব্ৰহ্মপুত্ৰৰ গৰ্ভ বোলা হয় আৰু তাৰ উপৰিভাগক তীৰ বোলা হয়, তীৰৰ পৰা দুইক্ৰোশ পৰ্য্যন্ত স্থান বা ক্ষেত্ৰ বুলি পৰিগনিত হয়। এই স্থানত তিনিকোটি দেৱতাৰ আধা বাস কৰে যি মানুহৰ এই স্থানত মৃত্যু হয় তেওঁৰ স্বৰ্গলাভ হয় আৰু পুনৰ্জন্ম নহয়।

২৪। লৌহিত্যস্য জলে যো হি মৃত্যুমাপ্নোতি মানবঃ
ন পুনর্জায়তে সোঽপি গর্ভবাসে সুদুস্তৰে ॥

ব্ৰহ্মপুত্ৰত পৰি ঘি জনৰ প্ৰাণশেষ হৈছে তেওঁ কোনোকালেই পৃথিবীত জন্মগ্ৰহণ কৰিব নালাগে ।

নাৰদ উবাচ ।

২৫। কথং বা ক্ৰিয়তে স্নানং কেন মন্ত্ৰেন পূজ্যতে
তত্বদস্ব ময়ি ব্ৰহ্মন্ পূজাধ্যানাদিসাধনম্ ॥

নাৰদে সুধিলে হে ব্ৰহ্মন্ ! কি প্ৰকাৰেনো ব্ৰহ্মপুত্ৰত স্নান কৰিব লাগে, কি মন্ত্ৰে পূজা কৰে আৰু ধ্যানাদি মন্ত্ৰই বা কেনে মোক কওঁকচোন ।

ব্ৰহ্মোবাচ

২৬। ব্ৰাহ্মে মুহূৰ্ত্তে চোত্থায় কৃতশৌচাদিকো নৰঃ ।
মনসা ভক্তিভাবেন স্নানাৰ্থং স ব্ৰজেৎ গৃহাৎ ॥

ব্ৰহ্মাই কলে, ব্ৰাহ্মমুহূৰ্ত্ততে শুই উঠি শৌচাদি নিত্য ক্ৰিয়াসমাপন কৰি ভক্তিভাবে স্নান কৰিবলৈ ঘৰৰ পৰা ওলাব লাগে ।

২৭। গচ্ছেত্তু কৃতমৌনেন যাবত্তীৰং স লভ্যতে।
লব্ধাতীৰং ততস্তত্ৰ প্ৰণমেৎ ব্ৰহ্মপুত্ৰকম্ ॥

ব্ৰহ্মপুত্ৰৰ তীৰ নোপোৱালৈকে মৌনাবলম্বন কৰি গৈ থাকিব আৰু তীৰ পালে ব্ৰহ্মপুত্ৰলৈ চাই প্ৰণাম কৰিব।

২৮। তীৰ্থৰাজেতি সংকীৰ্ত্ত্য শিৰঃ সিঞ্চেজ্জলৈস্ত্ৰিভিঃ।
এবং সিক্তস্তদা পুত্ৰ ব্ৰহ্মহত্যাং ব্যপোহতি ॥

তাৰপিছত 'তীৰ্থৰাজ' বুলিকৈ ব্ৰহ্মপুত্ৰৰ পানী তিনি আঁজলি মূৰত লব। হে পুত্ৰ! এনেকৈ মূৰত পানী ললে ব্ৰহ্মহত্যাৰ পাপ দূৰ হয়।

২৯। এবং সিক্তঃ পৰশুৰামো মাতৃহাপি বিমুক্তবান্।
পদ্ধত্যুক্তক্ৰমেনৈব ততঃ স্নানাদিকঞ্চৰেৎ ॥

পৰশুৰামে এনেকৈ মূৰত পানীলৈ (জলসিঞ্চন কৰি) মাতৃহত্যাৰ সমান পাপৰ পৰা মুক্তি লাভ কৰিছিল। ইয়াৰ পিছত যথা বিধি স্নান কৰ্ম্ম কৰা উচিৎ।

কালিকাপুৰাণে—

সগৰোবাচ

৬০। অমোঘায়াং কথং যজ্ঞে লৌহিত্যো ব্ৰহ্মণঃ স্থুতঃ ।
কথং শান্তনুভাৰ্য্যায়াং ৰতঃ স কমলাসনঃ ॥
পাৰত্ৰৈণেয়ো পুত্ৰো বা কথং জজ্ঞে পিতামহাৎ ।
তৎ সৰ্ব্বং শ্ৰোতুমিচ্ছামি কথয়স্ব দ্বিজোত্তম ॥

ৰজা সগৰে কোনো এদিন ঔৰ্ব্ব নামৰ ব্ৰাহ্মণ এজনক সুধিছিল হে দ্বিজোত্তম ! ব্ৰহ্মাৰ নন্দন লৌহিত্যনো কেনেকৈ অমোঘাৰ গৰ্ভত জন্মগ্ৰহণ কৰিলে, কেনেকৈয়ে বা কমল যোনি ব্ৰহ্মাই শান্তনুপত্নী অমোঘাত আসক্ত হৈছিল ? পিতামহেই বা কেনেকৈ পৰস্ত্ৰীত পিতৃত্ব প্ৰাপ্ত হল এই সকলোবোৰ কথা মোৰ জানিবৰ কাৰণে বৰ ইচ্ছা হৈছে গতিকে আপুনি কওক ।

ঔৰ্ব্ব উবাচ

৬১। শৃণু ত্বং নৃপশাৰ্দ্দূল কথয়ামি মহত্তৰম্ ।
আখ্যানং ব্ৰহ্মপুত্ৰস্য লৌহিত্যস্য মহাত্মনঃ ॥

ঔৰ্ব্বই কলে, হে নৃপশাৰ্দ্দূল ! মহাত্মা ব্ৰহ্মপুত্ৰৰ বিস্তৃত বিৱৰণ মই কৈ যাওঁ আপুনি শুনক ।

৩২। মুনিৰাসীন্মহাভাগঃ শান্তনুৰ্নামনামতঃ ।
তস্য ভাৰ্য্যা মহাভাগা অমোঘাখ্যা মহাসতী ॥
হিৰণ্যগৰ্ভস্য মুনেস্তৃণবৃন্দাশ্ৰমোদ্ভৱা ।
তয়া সাৰ্দ্ধং স কৈলাসমৰ্য্যাদাপৰ্ব্বতেঽবসৎ ।
লৌহিত্যাখ্যস্য সৰসস্তীৰে বৈ গন্ধমাদনে ॥

পূৰণি কালত শান্তনুনামে এজন মুনি আছিল । হিৰণ্যগৰ্ভাখ্য ঋষিৰ পত্নী তৃণবৃন্দাশ্ৰমাৰ গৰ্ভজাতা অমোঘা নামে এজনী ছোৱালী আছিল আৰু সেই অমোঘাৰ সৈতে শান্তনু মুনিৰ বিয়া হৈছিল । শান্তনুৱে অমোঘাৰ সৈতে কৈলাসপৰ্ব্বতৰ প্ৰান্তবৰ্ত্তী গন্ধমাদনপৰ্ব্বতৰ ওচৰৰ লৌহিত্য-সৰোবৰৰ পাৰত বাস কৰিছিল ।

৩৩। একদা স তপোনিষ্ঠো নিজপুষ্পাদিগোচৰে ।
জগাম বনমধ্যস্তু চিন্বন্ বহুফলানি চ ॥
তস্মিন্নবসৰে ব্ৰহ্মা সৰ্ব্বলোকপিতামহঃ ।
তত্ৰাজগাম যত্ৰাস্তি অমোঘা শান্তনোঃ প্ৰিয়া ॥

কোনো এদিন সেই তপোনিষ্ঠ মহৰ্ষি নিজপ্ৰয়োজনাৰ্থে পুষ্প আৰু ফল সংগ্ৰহ কৰিবলৈ বনলৈ প্ৰস্থান কৰিলে ।

ঠিক সেই সময়তে পিতামহ ব্ৰহ্মা শান্তনু পত্নী অমোঘা থকা ঠাইত উপস্থিত হল ।

৩৪। তাং দৃষ্ট্বা দেবগৰ্ভাভাং যুৱতীমতিসুন্দৰীম্ ।
মোহিতো মদনেনাশু তদাভূদ্দ্ৰষিতেন্দ্ৰিয়ঃ ॥

পৰমা সুন্দৰী যুবতী দেৱবালাসদৃশী অমোঘাক দেখি, পিতামহ মদনৰ বাণত আক্ৰান্তহৈ অতীশয় অধীৰ হৈ পৰিল

৩৫। উদীৰিতেন্দ্ৰিয়ো ভূত্বা জিঘৃক্ষুস্তাং মহাসতীম ।
অথাধাবত্তথা ব্ৰহ্মা সন্মুখো মদনাৰ্দ্দিতঃ ॥

তেতিয়া ব্ৰহ্মাই মদনৰবাণত মোহিতহৈ মহাসতী অমোঘাক লাভ কৰিবৰ কাৰণে তেওঁৰ আগলৈ খেদি গ'ল ।

৩৬। ধাবমানং বিধাতাৰং দৃষ্ট্বামোঘা মহাসতী ।
মৈৱং মৈবমিতি প্ৰোক্তা পৰ্ণশালাং ব্যলীয়ত ॥

মহাসতী অমোঘাই ব্ৰহ্মাক খেদি যোৱা দেখি এনেকুৱা কথা নকৰা (এনে কাম নকৰিবা) এনেকুৱা কথা নকৰা বুলি কৈ কৈ তেওঁ পজাঘৰৰ ভিতৰলৈ গুছি গল

৩৭। ইন্দ্ৰশ্চোবাচ ধাতাৰমমোঘা কোপিতা তদা ।
পৰ্ণশালান্তৰগতা দ্বাৰমাবৃত্য তৎক্ষণাৎ ॥
অকৰ্য্যং ন ময়া কাৰ্য্যং মুনিপত্ন্যা বিগৰ্হিতম্ ।
বলাৎ প্ৰমথ্যে চাহং তত্ত্বয়া ত্বাঞ্চ শপাম্যহম্ ॥

সাধবী সতী অমোঘাই এইদৰে কৈ তৎক্ষণাৎ পঁজাৰ ভিতৰ সোমাই দুৱাৰখন মাৰি ভিতৰৰ পৰা অতি খঙেৰে ব্ৰহ্মাক কবলৈ ধৰিলে "মই মুনিপত্নী" মই এনে গৰ্হিত কাম কেতিয়াও কৰিব নোৱাৰো , যদি তুমি বলৎকাৰ কৰি মোক হৰণ কৰা তেতিয়া হলে মই তোমাক অভিশাপ দিম" ।

৩৮। অমোঘয়া চৈবমুক্তে বিধাতুশ্চ তদা নৃপ ।
ৰেতশ্চস্কন্দ চ তদৈবাশ্ৰমে শান্তনোৰ্মুনেঃ ॥

হে ৰাজন ! অমোঘাসতীয়ে এই কথা কোৱাৰ লগে লগে সেই শান্তনুমুনিৰ আশ্ৰমতে বিধাতাৰ ৰেতস্খলন হল ।

৩৯। চ্যুতে ৰেতসি ধাতাপি হংসযানং সমাস্থিতঃ ।
লজ্জয়াতিপৰীতাত্মা ক্ৰুত্বং বৈ স্বাশ্ৰমং যযৌ ॥

ৰেতস্খলনৰ পিছত বিধাতাই (ব্ৰহ্মাই) অতিশয় লজ্জিত আৰু অনুতপ্তহৈ হংসবাহণে শীঘ্ৰেই নিজধামলৈ (নিজ স্থানলৈ) গতি কৰিলে ।

৪০। গতে বেধস্যৰণ্যাত্ত্ শান্তনুঃ স্বাশ্ৰমাগতঃ ।
আগত্য দৃষ্ট্বা হংসানাং পদক্ষোভং তদা ভুবি ॥
তেজশ্চ পতিতং ভূমৌ বিধাতুৰ্জ্জলনোপমম্ ।
অমোঘাং পৰিপপ্ৰচ্ছ পৰ্ণশালান্তৰস্থিতাম্ ॥

ব্ৰহ্মা যোৱাৰ পিছত শান্তনুমুনিয়ে আশ্ৰমলৈ ঘূৰি আহি দেখিলে, মাটীত (চোতালত) চাৰিওফালে হাহঁৰ খোজ আৰু বিধাতাৰ বহ্নিসম ৰেতঃ মাটিত পৰি আছে । এইবিলাক দেখাপাই তেওঁ পঁজাৰ ভিতৰত থকা অমোঘাক সুধিলে ।

৪১। কিমেতদত্ৰ সুভগে প্ৰবৃত্তং দৃশ্যতে তু যৎ ।
পক্ষিণাঞ্চ পদক্ষোভং তেজশ্চেদঞ্চ কীদৃশম্ ॥

শান্তনুৱে সুধিলে হে সুভগে! এইবিলাক কি দেখিছো ? চৰাইবো খোজ দেখিছো আৰু শক্তি (তেজ, ৰেতঃ) কাৰ স্খলন হল, এইবিলাকনো কি কথা

৪২। সা তস্য বচনং শ্রুত্বা শান্তনুং মুনিসত্তমম্ ।
অমর্ষিতেব ন্যগদদাকুলা বিকলাননা ॥

অমোঘাই এই কথা শুনি আউলী, বাউলীহৈ (আকুলা বিকলাননা) খঙত অস্থিৰহৈ মহামুনি শান্তনুক কবলৈ আৰম্ভ কৰিলে ।

৪৩। হংসযুক্তস্যন্দনেন কোঽপ্যাগত্য চতুর্ম্মুখঃ ।
কমণ্ডলুকৰো ভীৰু ৰতিং মাং সমযাচত ॥
ততো ময়া ভৎসিতশ্চ তেজস্ত্যক্ত্বা ভয়ার্দ্দিতঃ ।
স গতো যদি শক্লোষি কুরু তৎপ্রতিকাৰকম্ ।
ন হি মাং ধর্ষিণীং সোঢ়ুং কশ্চিৎ শক্লোতি জীবভৃৎ

হাতত কমণ্ডলু লোৱা চাৰিখন মুখ থকা এজন মানুহ হাঁহৰ ওপৰত উঠি আহি মোক ৰতি ভিক্ষা কৰিছিল। মই তেওঁক বহুতো তিৰস্কাৰ কৰিলো । তেওঁ ভয় খাই শুক্র ত্যাগ কৰি গুচি গৈছে; যদি আপোনাৰ শক্তি আছে ইয়াৰ প্রতিকাৰ কৰক । জগতত যাতে মোক কোনেও অসতী বুলি কব নোৱাৰে ।

৪৪। স তস্যা বচনং শ্রুত্বা স্বয়ং ব্রহ্মা সমাগতঃ ।
ইতি নিশ্চিত্য মনসা তত্র ধ্যানপৰোঽভবৎ ॥

অমোঘাৰ কথা শুনি শান্তনুৱে মনত স্থিৰ কৰিলে যে স্বয়ং ব্ৰহ্মাই নিশ্চয় আহিছিল। ইয়াকে ভাবি (কি কাৰণেনো তেওঁ আহিছিল জানিবৰ কাৰণে) ধ্যান মগ্ন হল।

৪৫। দিব্যধ্যানেন তজ্জ্ঞাত্বা দেবকাৰ্য্যমুপস্থিতম্।
তীৰ্থাবতৰণঞ্চাপি হিতায় জগতাং মুনিঃ।
শান্তনুঃ সুকৃতং মত্বা স্বভাৰ্য্যামিদমব্ৰবীৎ॥

মুনিয়ে ধ্যানৰ বলেৰে জানিব পাৰিলে যে জগতৰ মঙ্গলৰ কাৰণে তীৰ্থ অৱতৰণ কৰিবৰ কাৰণে তেওঁ উপস্থিত হৈছিল। গতিকে তেওঁৰেই নিজৰ সজকাম বুলি ভাবি পত্নীক সম্বোধন কৰি কবলৈ ধৰিলে।

৪৬। ইদং তেজো ব্ৰহ্মণস্ত্বং পিবামোঘে মমাজ্ঞয়া
হিতায় সৰ্ব্বজগতাং দেবকাৰ্য্যাৰ্থসিদ্ধয়ে॥
ভবত্যা নিকটং ব্ৰহ্মা স্বয়মেব সমাগতঃ।
ত্বামপ্ৰাপ্য মহাকৃত্যমাবয়োঃ স সমৰ্প্যচ॥
গতো নিজস্পদং তত্তু কৰ্ত্তুমৰ্হসি তদ্বচঃ।

হে প্ৰিয়ে! এয়া ব্ৰহ্মাৰ তেজ (শক্তি) গতিকে মই তোমাক আদেশ কৰিছো জগতৰ মঙ্গলৰ কাৰণে আৰু

দেৱকাৰ্য্য সম্পাদনাৰ্থে তুমি এই শক্তিক পান কৰা। স্বয়ং বিধাতাই আহি তোমাক লাভ কৰিব নোৱাৰি তোমাৰ আৰু মোৰ ওছৰত এই মহৎকাৰ্য্য অৰ্পন কৰি গৈছে; এতেকে এই কাম সম্পাদন কৰা আমাৰহে কৰ্ত্তব্য।

৪৭। তৎ শ্রুত্বা শান্তনোৰ্বাক্যমমোঘাতীবলজ্জিতা।
নান্যস্য তেজো ধাস্যামি ন চ তে বিমনস্কতা।
অবশ্যং যদি কৰ্ত্তব্য ত্বংপীত্বা ময়ি চোৎসৃজ॥

শান্তনুৰ এইকথা শুনি অমোঘাই অতিশয় লজ্জিত হৈ কলে, আপোনাৰ বাহিৰে মই কেতিয়াও অন্যৰূপ (অন্যপুৰুষৰ) চিন্তা কৰিব নোৱাৰো আৰু মই কেতিয়াও অন্য পুৰুষৰ শক্তি ধাৰণ কৰিবলৈ সক্ষম নহম। যদি অৱশ্যে আপুনি এইটো আমাৰেই কৰ্ত্তব্য বুলি ভাবিছে তেন্তে এই শক্তি আপুনি পান কৰি মোৰ শৰীৰত ত্যাগ কৰিব পাৰিব।

৪৮। ততস্তস্যা বচঃ শ্রুত্বা যুক্তং তথ্যঞ্চ শান্তনুঃ।
স্বয়ং পীত্বা চ তত্তেজস্তস্যা গৰ্ভে ব্যসেচয়ৎ॥

তেতিয়া শান্তনুৱে পত্নীৰ বাক্যকে যুক্তি যুক্ত বুলি মনত ভাবি সেই তেজ নিজে খাই অমোঘাৰ গৰ্ভস্থানত সঞ্চাৰ কৰি দিলে।

৪৯। সংক্রামিতৈঃ শান্তনুনা তেজোভিৰ্ব্রহ্মণঃ সতী ।
গৰ্ভং দধানামোঘাখ্যা হিতায় জগতাং ততঃ ॥
তস্যাং কালে তু সংপ্রাপ্তে সঞ্জাতো জলসঞ্চয়ঃ ।
তন্মধ্যে তনয়শ্চাপি নীলবাসাঃ কিৰীটধৃক ॥

শান্তনুৰ দ্বাৰা অমোঘাৰ গৰ্ভত ব্ৰহ্মতেজ সঞ্চাৰ হোৱাত অমোঘাসতীয়ে জগতৰ মঙ্গলাৰ্থে গৰ্ভধাৰণ কৰিলে যথাসময়ত সেই গৰ্ভৰ পৰা এক জলাশয় প্ৰসব হল ; সেই জলৰাশিৰ ভিতৰত নীলাম্বৰ পৰিধান কৰি মূৰত কিৰিটি পিন্ধি এটি দেৱ শিশুৱে জন্ম গ্ৰহণ কৰিলে ।

৫০। চতুৰ্ণাং পৰ্ব্বতানান্তু মধ্যে তং সংন্যধেত্ততঃ
কৈলাসশ্চোত্তৰে পাৰ্শ্বে দক্ষিণে গন্ধমাদনঃ ॥
জাৰুধিঃ পশ্চিমে শৈলঃ পূৰ্ব্বে সংবৰ্ত্তকাহ্বয়ঃ
তেষাং মধ্যেং স্বয়ং কুণ্ডঃ পৰ্ব্বতানাং বিধেঃ সুতঃ ।
স্থিত্বাতিববৃধে নিত্যং শাৰদীৱ নিশাকৰঃ ॥

উত্তৰে কৈলাস, দক্ষিণে গন্ধমাদন, পশ্চিমে জাৰুধি আৰু পূবফালে সংবৰ্ত্তক নামৰ এই চাৰিটি পৰ্ব্বতৰ মাজত শান্তনুৱে ব্ৰহ্মাৰ পুত্ৰ আৰু কুণ্ডক (অৰ্থাৎ সেই জলৰাশিৰ সৈতে ব্ৰহ্মাৰ পুত্ৰক) স্থাপন কৰিলে। তাৰপিছত তাত সেই ব্ৰহ্মাৰ পুত্ৰই শৰৎকালৰ চন্দ্ৰৰ নিচিনাকৈ দিনে

দিনে বাঢ়ি আহিবলৈ ধৰিলে।

৫১। তং তোয়মধ্যগং পুত্ৰমাসাদ্য দ্ৰুহিণঃ স্বয়ম্ ।
ক্ৰমতস্তস্য সংস্কাৰানকৰোদ্দেহশুদ্ধয়ে ॥

তাৰপিছত ব্ৰহ্মাই সেইজলৰাশিৰ মাজতগৈ তেওঁৰ পুত্ৰক উদ্ধাৰ কৰি শিশুটিৰ শৰীৰশুদ্ধাৰ্থে ক্ৰমে যাবতীয় সংস্কাৰ কাৰ্য্য সম্পাদন কৰিলে।

৫২। অথকালে ব্যতীতে তু লৌহিত্যো ব্ৰহ্মণঃ সুতঃ।
তোয়ৰাশিস্বৰুপেন ববৃধে পঞ্চযোজনাম্ ॥

কিছুমান দিন যোৱাৰ পিছত ব্ৰহ্মাৰ পুত্ৰ লৌহিত্যৰ (ব্ৰহ্মপুত্ৰই) সেই জলৰাশি স্বৰুপে কলেবৰ বৃদ্ধিহৈ পঞ্চযোজন স্থান বিয়পি পৰিল।

৫৩। তস্মিন্ দেবগণাঃ সৰ্ব্বে স্নানং কুৰ্ব্বন্তি নিত্যশঃ॥
শীতামলজলে হৃদ্যে দেব্যশ্চাপ সৰসোঽঙ্গনাঃ ॥

তাত সকলোদেৱতাই প্ৰতিদিনে স্নান কৰিবলৈ আৰম্ভ কৰিলে আৰু দেৱবালা আৰু অপেস্বৰীবিলাকও সেই সুশীতল বিমল মনোহৰ পানীত স্নান কৰিবলৈ ধৰিলে ।

৫৪। তস্মিন্নবসরে ৰামো জামদগ্ন্যঃ প্ৰতাপৱান্ ।
চক্ৰে মাতৃবধং ঘোৰমত্যুগ্ৰং পিতুৰাজ্ঞয়া ॥

সেই সময়তে মহাপ্ৰতাপবান জমদগ্নিৰ পুতেক পৰশুৰামে পিতৃৰ আদেশত মাতৃবধৰ নিচিনা (অতিউগ্ৰ) মহাপাপ আচৰণ কৰিছিল।

৫৫। তস্য পাপস্য মোক্ষায় স্বপিতুশ্চোপদেশতঃ ।
স জগাম মহাকুণ্ডং ব্ৰহ্মাখ্যং স্নাতুমিচ্ছয়া ॥

সেই পৰশুৰামে বাপেকৰ উপদেশ মতে মাতৃবধ পাপৰ পৰা মুক্ত হবৰ কাৰণে ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ সেই মহাকুণ্ডত উপস্থিত হল।

৫৬। তত্ৰ স্নাত্বা চ পীত্বা চ মাতৃহত্যাং ব্যপানয়ৎ ।
জাতসংপ্ৰত্যয়ঃ সোঽথ তীৰ্থমাসাদ্য তং বৰম্ ।
বীথীং পৰশুনা কৃত্বা তঞ্চ সমবতাৰয়ৎ ॥

পৰশুৰামে ব্ৰহ্মকুণ্ডত স্নান কৰি তাৰ পানী খাই মাতৃবধপাপৰ পৰা মুক্তহৈ প্ৰত্যক্ষফল লাভ কৰি, নিজৰ কুঠাৰেৰে পথ নিৰ্ম্মান কৰি, তীৰ্থবৰ ব্ৰহ্মপুত্ৰক পৃথিবীলৈ অবতৰণ কৰালে।

৫৭। ব্ৰহ্মকুণ্ডাত্ততঃ সোঽপি কাসাৰে লোহিতাহ্বয়ে
কৈলাসোপত্যকায়ান্তু ন্যপতদ্ ব্ৰহ্মণঃ সুত ।
তস্যাপি সৰসস্তীৰং সমুত্থায় মহাবলঃ ।
কুঠাৰেণ দিশং পূৰ্ব্বামনয়দ্ব্ৰহ্ম পুত্ৰকম্ ॥

তেতিয়া ব্ৰহ্মপুত্ৰই কুণ্ডৰ পৰা বাহিৰহৈ কৈলাসপৰ্ব্বতৰ ওচৰৰ লৌহিত্যসৰোবৰত পৰিলেগৈ আৰু ভৃগুৰামে সেই সৰোবৰ পাৰত উঠি কুঠাৰেৰে পুনৰ পূবফালে ব্ৰহ্মপুত্ৰক পথাই দিলে ।

৫৮। ততোঽপৰত্ৰাপি গিৰিং হেমশৃঙ্গং বিভিদ্য চ ।
কামৰূপান্তৰং পীঠমাবাহয়দমুং হৰিঃ ॥

তেতিয়া ব্ৰহ্মপুত্ৰই হেমশৃঙ্গ নামৰ পৰ্ব্বত পাৰহৈ কামৰূপ (অসম) পীঠস্থানত অবতীৰ্ণ (উপস্থিত) হল ।

৫৯। তস্য নাম বিধিশ্চক্ৰে স্বয়ং লৌহিতসংজ্ঞকম্ ।
লৌহিত্যাৎ সৰসো জাতো লৌহিত্যাখ্যস্ততোঽভবৎ

বিধতাই নিজে ব্ৰহ্মপুত্ৰৰ নাম লোহিত ৰাখি গৈছিল, কিন্তু লোহিত্য সৰোবৰৰ পৰা উৎপত্তি হোৱাত ব্ৰহ্মপুত্ৰ লৌহিত্য নামেৰেও প্ৰখ্যাত হল ।

৬০। স কামৰূপমখিলং পীঠমাপ্লাব্য বাৰিণা ।
গোপয়ন্ সৰ্ব্বতীৰ্থানি দক্ষিণং যাতি সাগৰম্ ॥
প্ৰাগেব দিব্যযমুনাং সংত্যক্ত্বা ব্ৰহ্মণঃ সুতঃ ।
পুনঃ পততি লৌহিত্যে গত্বা দ্বাদশযোজনম্ ॥

তাৰ পিছত ব্ৰহ্মপুত্ৰই কামৰূপপীঠক সলিলৰাশিৰে (ব্ৰহ্মপুত্ৰৰ পানীৰে) প্লাবিত কৰি সকলোতীৰ্থকে গোপন কৰি দক্ষিণ ফাললৈ প্ৰস্থান কৰিলে আৰু পূবফালে থকা দিব্যযমুনাক ত্যাগ কৰি দ্বাদশযোজন যোৱাৰ পিছত আকৌ লৌহিত্য সৰোবৰতে মিলহৈ গ'ল ।

মাহাত্ম্যং যে চ লৌহিত্যঃশৃণ্বন্তি চ পঠন্তি চ
তেপ্যসংখ্যৈৰ্মহাপাপৈ মুচ্যন্ত নাত্ৰ সংশয়ঃ ॥

যি মানুহে ভক্তিযুক্তহৈ এই ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য পাঠ কৰে নাইবা শুনে তেওঁ অসংখ্য মহাপাপৰ পৰা মুক্তি লাভ কৰে ।

—ইতি ব্ৰহ্মপুত্ৰ মাহাত্ম্য সমাপ্ত—

স্নানবিধি

কোনো ক্ষেত্ৰতে ব্ৰাহ্মণৰ বাহিৰে অন্যলোকে "ওঁ" উচ্চাৰণ কৰি মন্ত্ৰ পাঠ নকৰিব, ওঁৰ ঠাইত 'নমঃ' বুলি গাব। আনকি ব্ৰাহ্মণ স্ত্ৰী, কন্যা নাইবা লগুণ নোলোৱা ব্ৰাহ্মণ লৰায়ো উচ্চাৰণ নকৰিব। তেনে কৰিলে ফল লাভ নহৈ দোষহে হয়।)

প্ৰথমে নদীত নামি কোনো মন্ত্ৰ পাঠ নকৰাকৈয়ে এটা বা ততোধিক (নিজৰ ইচ্ছা মতে) যোবোৰা মাৰি (তিতাগাৰেই) গায়ত্ৰীৰে শিখা বান্ধি পানীৰে উৰ্দ্ধ পুণ্ড্ৰ ত্ৰিপুণ্ড্ৰ তিলকলৈ তলত লিখা মন্ত্ৰে গঙ্গাৱাহন কৰিব।

যথাঃ— (অঙ্কুশ মুদ্ৰাৰে)

"ওঁ ব্ৰহ্মপুত্ৰ নদশ্ৰেষ্ঠ জামদগ্ন্যাবতাৰিত।
পৰশুনা দত্তমাৰ্গেণ আগচ্ছ বৰদো ভব॥"

ইয়াৰ পিছত কৃতাঞ্জলি হৈ গাব।

"ওঁ সূৰ্য্যোসোমোযমঃ কালঃ সন্ধ্যেভূতান্যহঃক্ষপা।
পৱনোদিক্‌পতিভূৰ্মিৰাকাশং খচৰামৰা॥
ব্ৰাহ্মং শাসন মাস্থায় কল্পধ্বমিহসন্নিধিং।
ওঁ তদ্বিষ্ণুঃ পৰমং পদং সদাপশ্যন্তি সূৰয়ঃ॥
দিবীৱ চক্ষুৰাততং ওঁ তৎসৎ নমো নাৰায়ণায়॥"

তাৰ পিছত সঙ্কল্প পাত্ৰ দুই হাতে তুলিলৈ পাঠ কৰিব। (সংকল্প পাত্ৰত তিল, কুশ, আৰৈচাউল দি লব)

বিষ্ণুৰোম তৎসদোমদ্য চৈত্ৰে মাসি মীন ৰাশিস্থিতে ভাস্কৰে শুক্লেপক্ষে অশোকাষ্টম্যাং তিথৌ অমুক গোত্ৰ শ্ৰী অমুক দেৱশৰ্ম্মা (ব্ৰাহ্মণ স্ত্ৰী হলে অমুক গোত্ৰায়া শ্ৰী অমুকী দেব্যা, শূদ্ৰ হলে, কাস্যপঋষি গোত্ৰ শ্ৰীঅমুক দাস আৰু শূদ্ৰ স্ত্ৰী হলে শ্ৰীঅমুকী দাসী বুলি পাঠ কৰিব সপ্তপুৰুষোদ্ধাৰ পূৰ্ব্বক মোক্ষলাভ কামনয়া এবং/* শ্ৰীবিষ্ণু সুপ্ৰীতি কামঃ অস্মিন ব্ৰহ্মপুত্ৰ নদজলে প্ৰাতঃস্নানমহংকৰিষ্যে।

এইদৰে সঙ্কল্প কৰি তলত লিখা মন্ত্ৰ পাঠ কৰি ঐশান্য কোণলৈ (উত্তৰ আৰু পূব চুকলৈ) সঙ্কল্প পানী পেলাই দিব। যথাঃ—

ওঁ যজ্জাগ্ৰতোদূৰমুদৈতি দৈবং তত্নুসুপ্তস্য তথৈবিতি
দূৰঙ্গমংজ্যোতিষাংজ্যোতিৰেকংতন্মেমনঃশিবসঙ্কল্পমস্তু॥

মুখৰ আগত হোমৰ ভেটিৰ দৰে চাৰিউ ফালে চাৰি হাত পানী জুখি অঙ্গুষ্ঠ অনামিকাৰে আলোড়ন কৰি কৰি তলত দিয়া মন্ত্ৰ গাব। যথাঃ—

---

* চৈত্ৰমাহৰ শুক্লাষ্টমীৰ দিনা যদি বুধবাৰ আৰু পুনৰ্ব্বসু নক্ষত্ৰ যুক্ত হয়" বাজপেয়যজ্ঞজন্য সমফল প্ৰাপ্তি কামনয়া ...."বুলি উল্লেখ কৰিব।

ওঁ বিষ্ণুপাদপ্ৰসূতাসি বৈষ্ণৱী বিষ্ণুপূজিতা ।
পাহিমামেন সস্তস্মাদাজন্ম মৰণান্তিকাং ॥
তিস্রং কোট্যোঽৰ্দ্ধকোটীচ তীৰ্থানি বায়ুৰ ব্ৰবীৎ
দিৱিভুব্যন্তৰীক্ষেচ তানিতে সন্তি জাহ্নবি ॥
নন্দী নিত্যেৱ তেনাম দেবমুনলিনীতি চ ।
বৃন্দাপৃথ্বীচ সুভগা বিশ্বকায়া শিবসিতা ॥
বিদ্যাধৰী সুপ্ৰসন্না তথালোক প্ৰসাদিনী ।
ক্ষমাচ জাহ্নবীচৈব শান্তাশান্তি প্ৰদায়িনী ॥

এই মন্ত্ৰে আহবান কৰি (ওপৰত লিখা) "ওঁ নমো নাৰায়নায় নমঃ" বুলি ৩ বা ৫ বা ৭ বাৰ অঞ্জলিৰে মুৰত পানী লব । ইয়াৰ পিছত ডুব মাৰি মৃত্তিকা আনি সৰ্ব্বাঙ্গত লেপন কৰি থাকোতে তলত দিয়া মন্ত্ৰ পাঠ কৰি থাকিব (স্নান কৰ্ত্তাই ।)

ওঁ অশ্বক্ৰান্তেৰথক্ৰান্তে বিষ্ণুক্ৰান্তে বসুন্ধৰে ।
মৃত্তিকেহৰমে পাপং যন্ময়াদুস্কৃতং কৃতং ॥
উদ্ধৃতাসিবৰাহেন কৃষ্ণেন শতবাহুনা ।
নমস্তে সৰ্ব্বলোকানং প্ৰভবাৰিনি সুব্ৰতে ॥
মৃত্তিকে ব্ৰহ্মদত্তাসি কাশ্যপেনাভি মন্ত্ৰিতা ।
আৰুহ্য মমগাত্ৰানি সৰ্ব্ব পাপং প্ৰমোচয় ॥

ইয়াৰ পিছত পুনৰ নিজ ইচ্ছাৰে ৩ বা ৫ বাৰ ডুব মাৰি গা ধুব আৰু সম্ভব হলে ডুব মাৰোতে মনতে "ঋতঞ্চ সত্যং" ইত্যাদি মন্ত্র পাঠ কৰিব। তলত লিখা মন্ত্রে ব্রহ্মপুত্রক প্রণাম কৰি স্নান শেষ কৰিব।

ওঁ ব্রহ্মপুত্র মহাভাগ শান্তনোঃ কুলনন্দন।
অমোঘাগর্ভসম্ভূত পাপং লৌহিত্য মে হৰ॥

তৰ্পণ বিধি

হিন্দু শাস্ত্রমতে প্রতিজন ব্রাহ্মণেই প্রতিদিনে স্নান কৰাৰ পিছত সন্ধ্যা সমাপন কৰি তৰ্পণ কৰা উচিৎ। কিন্তু এই কলিৰ শেষ অৱস্থাত তেনে ব্রাহ্মণ লোকৰ সংখ্যা বহুপৰিমানে কমিছে। আনহাতেদি হিন্দুশাস্ত্র যিমান বিশাল সিমান সংক্ষেপো। আজিৰ মানুহৰ আগৰ দৰে তপ, জপ, পুজা পাতল কৰি ব্রহ্মত্ব ৰক্ষা কৰিবলৈ সময়ৰো যে অভাৱ তাকো দুই কৰিব নোৱাৰি। তেনে লোকৰ কাৰণেও তথাপি শাস্ত্রই উপযুক্ত বিধান ৰাখি গৈছে। ধনীলোকে লক্ষটকা খৰছ কৰিব পৰাৰো যেনে বিধি বিধান আছে তেনেকৈ দৰিদ্রজনলৈ বা পথৰ ভিক্ষাৰীৰ কাৰণেও শাস্ত্র সন্মত বিধান সকলো ক্ষেত্রতে আমাক দি থৈ গৈছে। তৰ্পণ নকৰিলে স্নানৰ ফল নাই। সেই কাৰণে স্নান কৰাৰ

ইচ্ছা থকা মানুহেও বহুসময়ত তর্পণ কৰিবলৈ টান পায় বহুতো সময়ৰ আৱশ্যক ইত্যাদি চিন্তা কৰি (অৱশ্যে জনা মানুহৰ কাৰণে নহয়) তেনেলোকৰ কাৰণেও শাস্ত্ৰই সু-ব্যৱস্থা কৰি গৈছে। শাস্ত্ৰকৰ্ত্তাই জানিছিল যে মানুহে বিধে বিধে নানা জনক তর্পণ কৰিবলৈ যি অপাৰগ তেওঁ নিশ্চয় এযাৰ মন্ত্ৰ পাঠ কৰিবলৈ সক্ষম হব তাৰদ্বাৰাই তেওঁৰ তর্পণ নকৰাৰ দোষ খণ্ডণ হব অৰ্থাৎ লক্ষণ তর্পণ কৰিলেও তর্পণ নকৰাৰ দোষ নাথাকে বা নহয়। তেনে লোকে তলৰ মন্ত্ৰটিৰে মাত্ৰ তিনিচলু পানী দিব। মন্ত্ৰ যথা" আব্ৰহ্মস্তম্ব পৰ্য্যন্তং জগর্তৃপ্যতু।

মানুহে শাস্ত্ৰ সম্মত কামৰ মাজেদি নিজকে আগবঢ়াই লৈ গলে নিজৰ ভিতৰতে এটা অৱৰ্ণনীয় তৃপ্তি লাভ কৰিব ই ধ্ৰুপ। আমি প্ৰতিদিনে নোৱাৰিলেও কোনো কোনো বিষেশ পৰ্ব্বদিনত আমাৰ সৃষ্টি কৰ্ত্তা, পিতৃ-মাতৃ সকলৰ উৰ্দ্দেশ্যে আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিসহকাৰে অকনমান জল আগবঢ়াই শ্ৰদ্ধা জনোৱাকে তর্পণ' বোলে। এনেকৈ সেই মহা পুণ্য দিনবোৰত অন্ততঃ এবাৰ সেই পুণ্যাত্মা বা দেবাত্মাসকলক স্মৰণ কৰিলে আমাৰ আত্মাই অজানিতে এক মহৎ তৃপ্তি লাভ কৰে।

তর্পণ কেই বিধ

দুবিধ। এবিধক প্রধান তর্পণ আৰু আনবিধক অঙ্গ তর্পণ বোলে। সন্ধ্যা কৰাৰ নিচিনাকৈ প্রতিদিনে কৰা পিতৃযজ্ঞ স্বৰূপ তর্পণৰ নাম প্রধান তর্পণ আৰু কোনো বিশেষ দিন বা তিথিত পালন কৰা যেনে অশোকাষ্টমী, গ্রহণ, মহালয়া, মাঘীসপ্তমী, অৰ্দ্ধোদয়, ৱাৰুণী, মহাবাৰুণী প্রভৃতি দিনত কৰা তর্পণক "অঙ্গ তর্পণ" বা কাম্য তর্পণ বোলে। কাৰণ এনে বিলাক স্নান তর্পণত মানুহৰ কামনা বাসনা নিহিত থাকে, যেনে 'সৰ্ব্বপাপক্ষয় পুনৰ জন্মনিবৃত্তি পূৰ্ব্বক" ইত্যাদি। পূৰ্ব্বোক্ত স্নান দিনত তর্পণ কৰিলে প্রধান তর্পণ কৰা আৱশ্যক।

তর্পণ কোন জাতিৰ কৰ্ত্তব্য।

চাৰি জাতিৰ (ব্রাহ্মণ, ক্ষেত্রীয়, বৈশ্য আৰু শুদ্র) লোকেই তর্পণ কৰা ব্যৱস্থা হিন্দু শাস্ত্রত আছে বা কৰিব পাৰে কেৱল স্ত্রীলোকৰ তর্পণত অধিকাৰ নাই। কিন্তু পুত্রকণ্যাহান বিধবা স্ত্রীয়ে (১) স্বামী (২) শহুৰ আৰু (৩) শহুৰ[illegible] এই তিনি পুৰুষক তর্পণ কৰাৰ অধিকাৰ ৰাখি গৈছে।

তৰ্পণ কেতিয়া কৰে ।

তৰ্পণ সাধাৰণতে দুপৰীয়া কৰিব লাগে কিন্তু স্নানান্তে কৰিলে যদি সেইসময়ত মধ্যহ্ন সন্ধ্যাৰ সময় নহয় তেতিয়া সামবেদীয় ব্ৰাহ্মণে প্ৰাতঃ সন্ধ্যাৰ 'সূৰ্য্যোপস্থানৰ পিছত আৰু যজুঃ আৰু ঋগবেদীয় ব্ৰাহ্মণে গায়ত্ৰীজপ বিসৰ্জ্জনৰ পিছতেই অৰ্থাৎ 'উত্তৰেশিখৰে......' পিছতেই তৰ্পণ কৰিব ।

তলত দিয়া কথাকেইটা সদায় মনত ৰাখিব ।

(১) তৰ্পণত কেতিয়াও গৰম পানী আৰু বৰষুণৰ পানী ব্যৱহাৰ নকৰিব আনকি বৰষুণ হৈ থকা সময়তো (বাহিৰত নদীত বা পুখুৰীত) তৰ্পণ নকৰিব ।

(২) সপ্তমী আৰু দ্বাদশী তিথিত (উভয়পক্ষৰ) পিতৃ মাতৃৰ শ্ৰাদ্ধৰ দিনা, নিজৰ জন্ম তিথিত, দেও আৰু শুক্ৰবাৰে তিল তৰ্পণ কৰা শাস্ত্ৰাসিদ্ধ নহয় । কিন্তু মহালয়া, সংক্ৰান্তি উদ্দেশ্যে, গ্ৰহণৰ দিনা সকলো তীৰ্থস্নানৰ দিনা; যুগাদ্যাত, প্ৰেতপক্ষত নিষিদ্ধ তিথি আৰু বাৰতো তিল তৰ্পণ কৰিলেও কোনো দোষ নাই ।

(৩) * তৰ্পণ কৰোতে (পানীত) নাইলৈকে (নাভিলৈকে) ডুব যোৱা পানীত থিয়হৈ পূবফালে মুখ কৰি কৰিব । নদীৰ পাৰত কৰিলে এটা ভৰি পানীত এটা ভৰি বামতথৈ

কৰিব। সোণ; ৰূপ বা তামৰ পাত্ৰ ব্যৱহাৰ কৰিব। হাতত সোণৰ আঙঠি পিন্ধি লব। গোঁসাইঘৰ বা ঘৰৰ ভিতৰত অনা পানীৰে তৰ্পণ কৰোতে পানীত তিল মিলাই লব। তৰ্পণ কৰা পানীত চন্দন মিহলাই ললে বিশেষ ফল লাভ হয়।

(ক) যজ্ঞসূত্ৰ বা লগুণ মালাৰ মিচিনাকৈ ধাৰণ কৰা বা লোৱাকে নিবীতী বোলে।

(খ) যজ্ঞসূত্ৰ বা লগুণ সোঁকান্ধত ৰখাৰ নাম প্ৰাচীনাবীতী

(গ) যজ্ঞসূত্ৰ বা লগুণ সদায় থকাৰ দৰে পিন্ধাকে বাওঁ-কান্ধত) উপবীতী বোলে।

দেৱতৰ্পণ, ঋষিতৰ্পণ, আৰু মনুষ্যতৰ্পণত তিল ব্যৱহাৰ সদায়েই নিষিদ্ধ।

তিলকধাৰণ, শিখাবন্ধন, আচমন আৰু বিষ্ণু স্মৰণ কৰি হাত জোৰ কৰি দক্ষিণ ফালে মুখ কৰি লগুণ সোঁ কান্ধত ৰাখি (শূদ্ৰই গামোচা) তলত দিয়া মন্ত্ৰ পাঠ কৰিব। তপ, জপ, পূজা, সন্ধ্যা তৰ্পণ আদি কৰোতে লগুণৰ উপৰিও গাত চাদৰ বা গামোচা থকা আৱশ্যক।

ওঁ কুৰুক্ষেত্ৰং গয়া গঙ্গা প্ৰভাস পুস্কৰানি চ।
তীৰ্থান্যেতানি পুণ্যানি তৰ্পণকালে ভবন্তিহ॥

এই ওপৰত দিয়া মন্ত্ৰ পাঠ কৰি "ওঁ দেবা আগচ্ছন্তু" এই পুনৰ দেৱতাসকলক আবাহণ কৰি বাক্যৰে প্ৰাচীনা ৰীতীহৈ (লগুণ ঘূৰাই, যথা নিয়মে ৰাখি) তলত দিয়া মন্ত্ৰে তিল নিদিয়াকৈ ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ আৰু প্ৰজাপতি প্ৰতিজনকে এক এক অঞ্জলি জল দিব। মন্ত্ৰ যথাঃ— (দেবতৰ্পণ) (১) ওঁ ব্ৰহ্মা স্তৃপ্যতাং (২) ওঁ বিষ্ণুস্তৃপ্যতাং (৩) ওঁ ৰুদ্ৰস্তৃপ্যতাং (৪) ওঁ প্ৰজাপতিস্তৃপ্যতাম্ ॥

তাৰপিছত বাঁওহাতেৰে সোঁহতৰ বাউসীৰ ওছৰত চুই তলত দিয়া মন্ত্ৰে অকৌ এক অঞ্জলি পানী দিব।

ওঁ দেবা যক্ষাস্তথা নাগা গন্ধৰ্ব্বা প্সৰসোঽসুৰাঃ।
ক্ৰুৰাঃ সৰ্পাঃ সুপৰ্ণাশ্চ তৰবো জম্ভগাঃ খগাঃ।
বিদ্যাধৰা জলাধৰাস্তথৈবাকাশ গামিনঃ।
নিৰাহাৰাশ্চ যে জীবাঃ পাপে ধৰ্ম্মে ৰতাশ্চ যে।
তেষানাপ্যায়নায়ৈতদ্ দীয়তে সলিলং ময়া ॥

এতিয়া নিবীত হৈ অৰ্থাৎ লগুণ মালাৰ নিচিনাকৈ লৈ উত্তৰ ফালে মুখ কৰি তলত লিখা মন্ত্ৰে এক অঞ্জলি পানী দিব।

(মনুষ্যতৰ্পণ)

ওঁ সনকশ্চ সনন্দশ্চ তৃতীয়শ্চ সনাতনঃ।
কপিলশ্চাসুৰিশ্চৈব বোঢ়ুঃ পঞ্চশিখস্তথা।
সৰ্ব্বে তে তৃপ্তিমায়ান্তু মদ্দত্তেনাম্বুনা সদা ॥

আকৌ লগুণ ঘূৰাই সদাই ৰখা দৰে লৈ পূবফালে মুখ কৰি তলৰ মন্ত্ৰে দহজন দেবৰ্ষিক প্ৰতিজনকে একাঞ্জলি শুদা জলদান কৰিব ।

(ঋষিতৰ্পণ)

(১) ওঁ মৰীচিস্তৃপ্যতাং (২) ওঁ অত্ৰিস্তৃপ্যতাং (৩) ওঁ অঙ্গিৰাস্তৃপ্যতাং (৪) ওঁ পুলস্ত্যস্তৃপ্যতাং (৫) ওঁ পুলহস্তৃপ্যতাং (৬) ওঁ ক্ৰতুস্তৃপ্যতাং (৭) ওঁ প্ৰচেতাস্তৃপ্যতাং (৮) ওঁ বশিষ্ঠস্তৃপ্যতাং (৯) ওঁ ভৃগুস্তৃপ্যতাং (১০) ওঁ নাৰদস্তৃপ্যতাং ॥

ইয়াৰ পিছত তলত দিয়া মন্ত্ৰে তিল, চাউল কুশ লৈ (কোষাত দি) লগুণ সোঁহাতৰ বাউসীৰ যালে থৈ দক্ষিণ ফালে মুখ কৰি বাঁও আঠু পেলাই আঠজনা দিব্য পিতৃক এবাৰকৈ তৰ্পণ কৰিব ।

(দিব্যপিতৃতৰ্পণ)

১।	ওঁ অগ্নিস্বাত্তাঃ	পিতৰস্তৃপ্যন্তামেতৎ সতিল ব্ৰহ্মপুত্ৰোদকং	
২।	ওঁ সোমাঃ	”	তেভ্যঃস্বধা
৩।	ওঁ হবিষ্মন্তঃ	”	”
৪।	ওঁ উষ্মপাঃ	”	”
৫।	ওঁ সুকালিনঃ	”	”

৬। ওঁ বর্হিষদঃ পিতৰস্তৃপ্যন্তামেতৎ সতিল ব্ৰহ্মপুত্ৰোদকং
৭। ওঁ আজ্যপাঃ " " তেভ্যঃস্বধা
৮। ওঁ সোমপাঃ " "

পুনৰ লগুণ, চাদৰ ঘূৰাই লৈ হাতজোৰ কৰি তলত দিয়া মন্ত্র পাঠ কৰিব ।

ওঁ আগচ্ছন্তু মে পিতৰঃ ইমং গৃহ্নন্ত্বপোঞ্জলিং ॥

এনেকৈ পিতৃসকলক তৰ্পণৰ বাবে আবাহণ কৰি তিল, মোটক, আৰু চাউল কোষাতলৈ (চন্দনমিহলাই লব পাৰিলে বিশেষ ভাল) পিতৃ তীৰ্থেৰে, পিতৃ, পিতামহ, প্ৰপিতামহ এই তিনিওজনক প্ৰত্যেককে তিনিবাৰকৈ তলত দিয়া মন্ত্ৰে তৰ্পণ কৰিব । মন্ত্ৰ যথাঃ—

(পিতৃতৰ্পণ)

ওঁ তৎসৎ অমুকগোত্ৰ পিতঃ অমুক দেবশৰ্ম্মণ তৃপ্যস্ব এতৎ সতিল ব্ৰহ্মপুত্ৰোদকন্তে স্বধা । (এনেকৈয়ে ওপৰাতদিয়া মন্ত্ৰে পিতামহঃ, প্ৰপিতামহঃ বুলি গাব)

তাৰপিছত আকৌ এনেদৰে (ওপৰত কোৱা) মাতামহ প্ৰমতামহ আৰু বৃদ্ধ প্ৰমতামহ এই তিনিওজনাকে তিনিবাৰ কৈ তৰ্পণ কৰিব এনেকৈঃ—

ওঁ তৎসৎ অমুক গোত্ৰে মাতঃ অমুকী দেবিতৃপ্যস্ব এতৎ সতিল ব্ৰহ্মপুত্ৰোদকন্তেস্বধা ।

এনেকৈয়ে তিনিবাৰকৈ ক্ৰমে মাতৃ পিতামহী প্ৰপিতামহীক তিনিবাৰকৈ আৰু মাতামহী প্ৰমাতামহী বৃদ্ধপ্ৰমাতামহীক এবাৰকৈ তৰ্পণ কৰিব। ইয়াৰ পিচত সপত্নী, মাতৃ, পিতৃব্য ভ্ৰাতৃ পত্নী শ্বশুৰ আচাৰ্য্যাদিক যাকে ইচ্ছা কৰে এবাৰ তৰ্পণ কৰিব।

তাৰপিছত তলত দিয়া মন্ত্ৰে তিলৰ সৈতে এক অঞ্জলি জল দিব।

ওঁ যেবান্ধবা বান্ধবা বা যেঽন্যোজন্মনি বান্ধবাঃ
তে তৃপ্তিমখিলাং যান্তু যে চাস্মত্তোয় কাংক্ষিণঃ॥

আকৌ ৩বাৰ তলৰ মন্ত্ৰ পাঠ কৰি তিলৰ সৈতে ৩ অঞ্জলি জল দিব

(ৰামতৰ্পণ)

ওঁ আব্ৰহ্মভুবনাল্লোকাঃ দেবৰ্ষিপিতৃমানবাঃ।
তৃপ্যন্তু পিতৰঃ সৰ্ব্বে মাতৃমাতামহাদয়ঃ।
অতীতকুলকোটীনাং সপ্তদ্বীপনিবাসিনাম্।
ময়া দত্তেন তোয়েন তৃপ্যন্তু ভুবনত্ৰয়ম্॥

(লক্ষ্মণতৰ্পণ)

পুনৰ তিনিবাৰ :—

ওঁ আব্ৰহ্মস্তম্বপৰ্য্যন্তং জগৎ তৃপ্যতু॥

বস্ত্রনিষ্পীড়নোদক

বামলৈ উঠি (নৈৰ পাৰলৈ) চাদৰৰ আগ চেপি তিলৰ সৈতে মাত্র এবাৰ তৰ্পণ কৰিব। মন্ত্র যথাঃ—

ওঁ যে চাস্মাকং কুলে জাতা অপুত্রা গোত্রিনো মৃতঃ।
তে তৃপ্যন্তু ময়া দত্তং বস্ত্র নিষ্পীড়নোদকম্ ॥
ইয়াৰ পিছত অচ্ছিদ্ৰাবধাৰণ কৰিব।

ওঁ অদ্য কৃতৈতৎ ব্ৰহ্মাপুত্ৰ তৰ্পণ কৰ্ম্মা চ্ছিদ্ৰ মস্তু ॥

পুনৰ হাতজোৰ কৰি পাঠ কৰিব।

ওঁ অজ্ঞানদ্ যদি বা মোহাৎ প্ৰচ্যবেতাধ্বৰেষু যৎ স্মৰণাদেবতদ্বিষ্ণোঃ সম্পূৰ্ণং স্যাদিতি শ্ৰুতিঃ। মন্ত্ৰতস্তন্ত্ৰতঃ শুদ্ধিঃ কলৌ বেদোক্ত কৰ্ম্মাণাং হৰিস্মৰণমেবাত্ৰ সম্পূৰ্ণ ফলদায়কম্ ওঁ হৰিঃ। ময়া যদেতৎ তৰ্পণ কৰ্ম্ম কৃতং তৎসৰ্ব্বং শ্ৰীভগবদ্বিষ্ণু চৰণে সমৰ্পিতমস্তু। ইতি ভগবতি কৰ্ম্ম সমৰ্প্য।

ওঁ অদ্য কৃতেঽস্মিন্ তৰ্পণকৰ্ম্মণি যদ্ যদ্ বৈগুণ্যং জাতিং তদ্দোষ প্ৰশমনায় শ্ৰীবিষ্ণু স্মৰণমহং কৰিষ্যে। এই দৰে সংকল্প কৰি ওঁ তদ্বিষ্ণো পৰমং পদং সদা পশ্যন্তি সূৰয়ঃ দিবীব চক্ষুৰাততম্ ॥

পুনৰ পানীত নামি মন্ত্ৰ পাঠ কৰি "পিতৃস্তুতি" কৰিব হাতজোৰ কৰি।

ও পিতা স্বৰ্গঃ পিতা ধৰ্ম্মঃ পিতা হি পৰমং তপঃ
পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্ব্বদেৱতাঃ ।

—পিতৃনমস্কাৰ—

ওঁ পিতৃন নমস্যে দিবি যে চ মূৰ্ত্তাঃ
স্বধাভুজঃ কাম্যফলভিসন্ধৌ ।
প্ৰদাদশক্তাঃ সকলেন্সিতামাং বিমুক্তিদা
যেঽভিসংহিতেষু ॥

ইতি তৰ্পণ পদ্ধতি

—সমাপ্তঃ—

* যোৰহাট প্ৰেছত মুদ্ৰিত *

মূল্য এটকা